# 2019

# ASSAMESE

## ( Major )

Paper : 2.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশিত ‘কবিতামঞ্জৰী’ গ্ৰন্থখনৰ সম্পাদিকাগৰাকীৰ নাম কি?

(খ) ‘মালচ’ নামৰ চনেট-পুথিখনৰ ৰচক কোন?

(গ) ‘সাদৰী’ কাব্য-পুথিখন কোনে ৰচনা কৰিছে?

(ঘ) ‘নভোজ্যোতি’ মানে কি?

(ঙ) পৃথিৱীখনক ‘অতীতৰ স্বপ্ন লীলাভূমি’ বুলি কোনে কৈছে?

(চ) 'দোমোজাৰ' কবি বুলি কাক কোৱা হয়?

(ছ) কবিতাত 'নাটকীয় একোক্তি' (dramatic monologue) প্ৰকাশ পোৱা অসমীয়া কবিতা এটিৰ নাম কি?

(জ) 'বনকুঁৱৰী' নামৰ কবিতাটিৰ ৰচক কোন?

(ঝ) 'মহাভাৰতীয়' চৰিত্ৰৰ আধাৰত ৰচিত এটি কবিতাৰ নাম লিখা।

(ঞ) হেম বৰুৱা ৰচিত মুক্ত ছন্দ প্ৰয়োগ হোৱা এটি কবিতাৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কবি নীলমণি ফুকনৰ দুখন কবিতা-পুথিৰ নাম লিখা।

(খ) অতীন্দ্ৰিয়বাদী চেতনা প্ৰকাশ পোৱা দুটা অসমীয়া কবিতাৰ নাম লিখা।

(গ) 'ওমৰতীৰ্থ' নামৰ পুথিখনৰ মূল ৰচকজন কোন? এই পুথিখনি অসমীয়ালৈ কোনে অনুবাদ কৰে?

(ঘ) নৱকান্ত বৰুৱাৰ দ্বাৰা ৰচিত দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঙ) ৰাম গগৈৰ দ্বাৰা ৰচিত খেতিয়কৰ জীৱনচৰ্যা প্ৰকাশ পোৱা কবিতাটিৰ নাম কি?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) 'চনেট' কাক বোলে? চনেটৰ সাধাৰণ বৈশিষ্ট্যবোৰ কি কি?

(খ) ''ক'ৰপৰা তই আহিলি সোণাই
কোন দিশে যাব উৰি,''
বুলি কোনে, কাক, ক'লৈ উৰি যোৱাব কথা কৈছে, বিৱৰি লিখা।

(গ) কোন অসমীয়া কবিয়ে 'Poems in Prose'ৰ আদৰ্শত কথা-কবিতা ৰচনা কৰিছিল? তেওঁৰ বিষয়ে চমুকৈ লিখা।

(ঘ) 'বিশ্বদোলন' কবিতাৰ ৰাণী কোন? তেওঁক লৈ কবিয়ে কেনেধৰণে দোলনাখনত বহিব খুঁজিছে, লিখা।

(ঙ) 'উৰুখা পানীয়ে উটাই নিয়ক মৰা মকৰাৰ খোলা' বুলি কবি নৱকান্ত বৰুৱাই কোৱা কথাষাৰৰ অৰ্থ বিচাৰ কৰা।

(চ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাৰ মাজেৰে নাৰীমনৰ চিৰন্তন হাবিয়াস কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰা।

(খ) নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' কবিতাটিৰ মাজেৰে কবিৰ অতীন্দ্ৰিয়বাদী চেতনা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) হেম বৰুৱাৰ 'মমতাৰ চিঠি' নামৰ কবিতাটিৰ মাজেৰে বিধৱা নাৰী এগৰাকীৰ জীৱনৰ কাৰুণ্য কিদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(ঘ) 'সোণোৱালী দেশ' কবিতাটিত ফুটি উঠা কবি দুৱৰাৰ জীৱনদৰ্শন সম্পৰ্কে বিৱৰি লিখা।

(ঙ) 'বিশ্বহৰণ' কবিতাটিত ৰত্নকান্ত বৰকাকতিৰ প্ৰেমভাবনা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(চ) ৰাম গগৈৰ 'নদী' কবিতাটিত নদীৰ বিভিন্ন চিত্ৰ কেনেদৰে অংকিত হৈছে, বৰ্ণনা কৰা।

★ ★ ★